

ISSN 2394-0069

সৌৰৰণি

পঞ্চম সংখ্যা | ২০১৪

অসমীয়া বিভাগ
ললিত চন্দ্র ভৰালী মহাবিদ্যালয়
গুৱাহাটী

সোঁৱৰণি

কবিতাৰ বিশেষ সংখ্যা

COLLEGE LIBRARY
Date
MALIGAON GHY-11

পঞ্চম সংখ্যা, ২০১৪
অসমীয়া বিভাগ
ললিত চন্দ্র ভৰালী মহাবিদ্যালয়
গুৱাহাটী—৭৮১০১১

'সোঁৱৰণি' ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত
আৰু প্ৰচাৰিত বিভাগীয় বাৰ্ষিক পত্ৰিকা

সম্পাদনা সমিতিৰ সদস্য / সদস্যাসকল
মুৰব্বী অধ্যাপিকা ঃ ৰঞ্জিতা দাস লহকৰ
অধ্যাপিকা ঃ ড° নীলিমা গোস্বামী শৰ্মা
অধ্যাপক ঃ ৰত্নেশ্বৰ মিলি
অধ্যাপিকা ঃ নিভাশ্ৰী ডেকা
অধ্যাপক ঃ ড° ধীৰাজ পাটৰ

পঞ্চম সংখ্যা, ২০১৪
ISSN : 2394-0069
© অসমীয়া বিভাগ

বেটুপাত
সঞ্জীৱ ৰৱা

অক্ষৰ বিন্যাস
ধীৰাজ পাটৰ

অৰিহণা
৮০.০০ টকা

প্ৰকাশক
অসমীয়া বিভাগ, ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়, মালিগাঁও, গুৱাহাটী-১১
মুদ্ৰণ ঃ প্ৰগতি গ্ৰাফিক্স, কামাখ্যা কলোনী ৰোড, ৰৱজাৰ, পাণ্ডু, গুৱাহাটী-১২

L.C.B. COLLEGE LIBRARY
Date.....
MALIGAON, GHY-11

কৃতজ্ঞতা

কবি আৰু শুভাকাংক্ষীসকললৈ.....

ভূমিকা

স্মৃতি সজীৱ কৰে সোঁৱৰণে। স্মৃতিক সজীৱ কৰি ৰাখিবৰ মানসেৰে বিভাগীয় অধ্যাপিকা ড° চন্দ্রপ্রভা দেৱীৰ সোঁৱৰণত 'সোঁৱৰণি'ৰ জন্ম। ইং ২০০২ চনৰ ১০ জুলাই তাৰিখে অকালতে পৰলোকলৈ গতি কৰা চন্দ্রপ্রভা বাইদেউৰ স্মৃতি-অন্তৰৰ কঠিন শিলত খোদিত হৈ আছে। সেয়েহে অনন্য গুণৰ অধিকাৰী কৃতী শিক্ষয়িত্রী, কবি, গীতিকাৰ, প্রবন্ধকাৰ বাইদেউৰ সোঁৱৰণত এই বেলি সোঁৱৰণিখন 'কবিতাৰ বিশেষ সংখ্যা' হিচাপে প্রকাশ কৰিবলৈ লোৱা হৈছে। ছাত্র-ছাত্রী, শিক্ষক-শিক্ষয়িত্রীৰ অনুভৱী হৃদয়ত পোখা মেলা কবিতা কেইটিৰ উপৰি সু-প্রতিষ্ঠিত কবি শ্রদ্ধাৰ নীলমণি ফুকন ছাৰ প্রমুখ্যে বিশিষ্ট কবিসকলৰ কবিতাই এই বিশেষ সংখ্যাটিৰ সৌষ্ঠৱ বঢ়াইছে।

কবি আৰু কবিতাক ভালপোৱা প্রতিজন কাব্য প্রেমিকে পুথিখন সাদৰেৰে আঁকোৱালি ল'ব বুলি আশা কৰিছোঁ আৰু অনাগত দিনবোৰত কাব্য সাধনাত ব্রতী হৈ থাকিবলৈ আশীৰ্বাদ প্রার্থী হৈ ৰ'লোঁ।

ভুল-ত্রুটী হয়তো ৰৈ গৈছে। তথাপিও সময়ক ধৰি ৰখাৰ প্রয়াসেৰে—

তাৰিখ ঃ ০৫-০৯-২০১৪

ৰঞ্জিতা দাস লহকৰ
বিভাগীয় প্রধান

আগকথাৰ পৰিৱর্তে

ললিত চন্দ্র ভৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগে অকালতে প্রাণ হেৰুওৱা এগৰাকী কৃতী শিক্ষক, প্রাক্তন অধ্যাপিকা ড° চন্দ্র প্রভা দেৱীৰ সোঁৱৰণত 'সোঁৱৰণি' শিৰোনামেৰে এখনি ক্ষুদ্র আলোচনী উলিয়াই আহিছে ২০০৬ চনৰ পৰা। অৱশ্যে কেতিয়াবা সময়ৰ অভাৱ অথবা মহাবিদ্যালয়ৰ বিদ্যায়তনিক ব্যস্ততাৰ বাবে এই 'সোঁৱৰণি'খন সময়মতে উলিয়াব পৰা হোৱা নাই। সেয়া আমাৰেই অপাৱগতা। তাৰ বাবে আমি ক্ষমাপ্রার্থী। সেই কর্তব্যৰ প্রতি দৃষ্টি ৰাখি এইবাৰ পুনৰ 'সোঁৱৰণি'খন উলিয়াবলৈ লৈছোঁ।

ড° চন্দ্রপ্রভা দেৱী এই মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এগৰাকী অধ্যাপিকাই নাছিল, আছিল ধৈর্য, সততা আৰু সহনশীলতাৰ প্রতীক। তদুপৰি কবি, গীতিকাৰ আৰু প্রাৱন্ধিক। তেওঁৰ অনুপ্রেৰণাতেই আমাৰ এই যাত্রা। 'সোঁৱৰণি'ৰে তেওঁক ধৰি ৰখাৰ চেষ্টা। মহাবিদ্যালয়ৰ গা-চুই বৈ যোৱা জুৰিটিৰ সৈতে বিদ্যার্থীৰ সম্পর্কক কবিতাৰ ভাষাৰে বাইদেৱে কেনেকৈ ক'ব বিচাৰিছিল সেই প্রসংগত বাইদেউৰ এটি কবিতা লিপিবদ্ধ কৰিব বিচাৰিছোঁ—

তোমালোকে মোক লৈ
নকৰা গৌৰৱ
নাভাবা অকণিকে মোৰ কথা।
তোমালোকৰ কাৰণে
মোৰ বুকু হ'লে
গৰৱত ফুলি উঠে
মোৰ দক্ষিণ কূলৰ ঐশ্বর্য্য
হে নতুন পুৰুষ
তোমালোক নতুন যুগৰ
হাজাৰ সূর্য্য*

LCB COLLEGE LIBRARY
Date
MAIGAON GHY-11

---

*ললিত চন্দ্র ভৱালী মহাবিদ্যালয় আলোচনী, অষ্টম সংখ্যা, ১৯৯৭-৯৮ বর্ষৰ পৰা উদ্ধৃত, পৃ. ২৫

বৰ্তমান সময় বৰ জটিল সময়। সময়ৰ ধামখুমিয়াত পৰি মানুহৰ মনৰ পৰা নিজ ভাষা যেন হেৰাই গৈছে। যেন কবিতাও হেৰাই যোৱাৰ উপক্ৰম হৈছে। এই দুঃখবোধৰ পৰাই চিন্তাৰ উদয় হৈছে আৰু এই সংখ্যা 'সোঁৱৰণি' প্ৰবীণ আৰু নবীন কবিৰ সংযোগেৰে 'কবিতাৰ বিশেষ সংখ্যা' হিচাপে উলিয়াবলৈ থিৰাং কৰা হৈছে।

মানুহৰ মনত কবিতা জীয়াই থকালৈকে নিশ্চয় অস্থিৰতা, দ্বিধা, শংকা আৰু ভীতিগ্ৰস্ততাৰে ভৰি থকা সমাজখনক বাট দেখুৱাব কেৱল কবিতাই। কবিতাৰ ভাষা জীৱনৰ ভাষা। মানুহৰ বুকুৰ ভাষা। তীব্ৰ সংকটপূৰ্ণ সময়তো ই মানুহৰ সমাজখনক বৰ্তাই ৰাখিব পাৰে। কিয়নো কবিতাৰ আছে অনিৰ্বচনীয়তা। আছে অনাবিল সৌন্দৰ্য। মোহমুগ্ধ কৰিব পৰা যাদুকৰী শক্তি। তদুপৰি ব্যঞ্জনাই কবিতাক বিশেষ মাত্ৰা প্ৰদান কৰিব পাৰে। যুদ্ধৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ এক নব্যায়তন দিব পাৰে। লোক কবিতাৰ সময়ৰে পৰা সাম্প্ৰতিক কাললৈকে কবিতাৰ বোঁৱতী সুঁতিটি অবিচ্ছিন্ন ধাৰাৰে বৈ আছে। বৈ আছে। কবিতাতেই আছে মাটিৰ মানুহে আকাশলৈ চোৱাৰ প্ৰেৰণা, প্ৰেমৰ বৈচিত্ৰ্যময় অনুভূতিৰ সন্ধান আৰু অমানুহৰ বিৰুদ্ধে মানুহৰ যাত্ৰা।

কবিতাক জীৱনী শক্তি প্ৰদানৰ চেষ্টাৰে কৰা আমাৰ এই যাত্ৰাত আপোনালোকৰ আন্তৰিক সহযোগে প্ৰত্যয় জন্মাবলৈ বাধ্য কৰাইছে যে কবিতা জীয়াই থাকিব। আমি জীয়াই থাকিম। সকলো সুন্দৰ হ'ব। সৰ্বোপৰি এটা কথা উল্লেখ কৰা উচিত হ'ব যে সৰ্বকালৰ চিৰন্তন মানৱীয় আবেদনেহে কবিতাক জীয়াই ৰাখিব পাৰে। সেই চেষ্টা অব্যাহত ৰাখিবলৈ আমি আটায়ে সচেষ্ট হ'ব লাগিব।

সৰ্বশেষত জনাইছোঁ আপোন প্ৰতিভাৰে সমুজ্জ্বল প্ৰতিগৰাকী কবিলৈ আমাৰ শুভেচ্ছা আৰু অভিনন্দন 'সোঁৱৰণি'ৰ বুকুৰ পৰা—

সবিনয়ে
ড° নীলিমা গোস্বামী শৰ্মা
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ
ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়

মালিগাঁও, গুৱাহাটী- ১১
তাং- ০৫ ছেপ্তেম্বৰ, ২০১৪

—ঃ সূচীপত্ৰ ঃ—

নীলমণি ফুকন	.....	৯
ৰবীন্দ্ৰ সৰকাৰ	.....	১০
সমীৰ তাঁতী	.....	১১
আনিছ উজ্ জামান	.....	১৪
নীলিম কুমাৰ	.....	১৬
শঙ্কৰ শইকীয়া	.....	১৭
অৰ্চনা পূজাৰী	.....	২০
মুনীন্দ্ৰ কুমাৰ মহন্ত	.....	২২
অনুপমা বসুমতাৰী	.....	২৪
সমীন্দ্ৰ হুজুৰি	.....	২৫
এম. কামালুদ্দিন আহমেদ	.....	২৮
মণিমুগ্ধ মহন্ত	.....	৩০
নীলিমা গোস্বামী শৰ্মা	.....	৩২
ধীৰাজ বিশ্বাসী	.....	৩৫
ৰত্নেশ্বৰ মিলি	.....	৩৬
দীপক গোস্বামী	.....	৪০
ৰঞ্জিতা দাস লহকৰ	.....	৪১
মিনতি মেধি	.....	৪৩
ধীৰাজ পাটৰ	.....	৪৫
নিভাশ্ৰী ডেকা	.....	৪৭
ইন্দ্ৰানী চৌধুৰী	.....	৪৯
শিবানী দে	.....	৫১
ডালিমী পাঠক	.....	৫২
ৰীমা দত্ত	.....	৫৪
দিগন্ত কলিতা	.....	৫৫
কাকলি তালুকদাৰ	.....	৫৬
জুমা বেগম	.....	৫৭
কবি পৰিচয়	.....	৫৮

M.C.B. COLLEGE LIBRARY Date MALIGAON GUWAHATI

সকলো কথাৰে এটা নহয় এটা অর্থ থাকে

নীলমণি ফুকন

সকলো কথাৰে এটা নহয় এটা অর্থ থাকে
এই ধৰা প্ৰেমৰ কবিতাৰ মাটি পানী জুই বায়ুৰ
কণা কুকুৰৰ ভুকভুকনিৰ
তেজ লগা চোলাৰ জেপত চাঁচিয়াই থকা
এটা পতংগৰ
অর্থ কৰিলে সকলো কথাৰে এটা অর্থ হয়
অর্থ কৰোঁতাজনৰ দহো আঙুলিৰ মূৰৰ
নক্ষত্ৰবোৰতো থাকে একোটা অর্থ
সৰু ল'ৰা-ছোৱালীয়ে কটাকটি খেলি থকাৰ দৰে
অর্থৰো খেল চলি থাকে
আহত শব্দবোৰে বিচাৰি থাকে তেজ-মঙহৰ এটা কণ্ঠ
চলি থাকে প্ৰেমিক আৰু কবিৰ বলিয়ালি
গধূলিৰ উচুপি থকা গছ পাতবোৰে বিচাৰি থাকে
এখন লুণীয়া জিভাৰ স্পৰ্শ
জ্বলি থাকে এগৰাকী নিনাও বৃদ্ধাৰ হাতৰ তলুৱা পুৰি
এগছি চাকি

হে পৰম কাৰুণিক কথক
কোৱা আৰু এটা অর্থ
তেওঁ যি নক'লে এই নির্যাতিতক

COLLEGE LIBRARY
Date.....
MALIGAON, GHY-11

মৃত্যু-ঘণ্টা

ৰবীন্দ্ৰ সৰকাৰ

মোৰ পদুলিৰ ফুলবোৰ নিনিয়ালৈকে
সিহঁতৰ বেজাৰ নুশুচে,
জোনটোকো সিহঁতে নমাই আনিব খোজে
বিছনাত,
সততাৰ উলঙ্গ দেহাটো পৰি থাকে
তেজৰ ডোঙাত—
চেপি পিহি মানুহৰ ফচিল নে আন কিবা।

এটা মৃত্যু-ঘণ্টা বাজি আছে ক'ৰবাত।
ভূগর্ভৰ সকলো ঐশ্বর্য, বননিৰ সৌৰভ
লুটি নিয়ে কোনোবাই—
ক'লা শিলৰ দৰে মানুহবোৰৰ বুকু খান্দি নিয়ে।
মোৰ মন যায় গছ-গছনিবোৰক ওভতাই দিওঁ সিহঁতৰ
সেউজীয়া আৰু ফুল
লোৰ জোঙা নখবোৰ এটি এটিকৈ ভাঙি পেলাওঁ।

একুৰিয়ামৰ মাছবোৰক দেখিলেও দুখ লাগে,
সঁজাত বন্দী হোৱা টিপচি চৰাইবোৰক
আজিকালি বৰ মন যায় এৰি দিবলৈ,
সাগৰক ওভতাই দিবৰ মন যায় ঢউবোৰ
পানীক শেলুৰৈবোৰ
মানুহক হেৰাই যোৱা হৃদয়বোৰ...

কাৰোবাৰ মৃত্যু ঘণ্টাটো বজাই দিবৰ মন যায়
ঢং... ঢং... ঢং...!

এটা ৰাতিৰ কবিতা

সমীৰ তাঁতী

সুলকি পৰা তোমাৰ দীঘল চুলিটাৰিত শুই পৰিছে ৰাতি
কিনো দিলা ওঁঠত
ফটিকাৰ দৰে সোৱাদ
ভৰি তলুৱাৰ পৰা চকুৰ পতালৈ বাঢ়ি আহিছে নিচা
চকু মুদিও চাই আছোঁ তোমাৰ মুখৰ ফালে

দুখৰ ৰ'দে দেই যোৱা কপালত মোৰ তোমাৰ সাদৰী হাত
যেন শাওণৰ প্ৰথম সপ্তাহত
শিপাক সম্মোহিত কৰি সৰি পৰা বৰষুণৰ টোপাল

বাহিৰত বতাহৰ স'তে গছবোৰৰ ফুচফুচনি। কত কথা
কোৱা নহয় কাকো। অকালতে হেৰাই যোৱা গাঁওবোৰৰ নিচিনা
এখনি গাঁও। কুঁৱলীৰ মাজেদি দেখা জোনটোৰ দৰে এখনি মুখে
চাব খোজে দেশৰ ভিতৰতে সুখ
হেঁপাহেৰে বৰ হেঁপাহেৰে

বাৰীৰ পৰা ভাঁহি আহিছে বাঁহনিৰ গাঢ় গোন্ধ
তোমাৰ দেহ-দেউলৰ পৰা পদিনা পাতৰ গোন্ধ
আমি যেন উশাহ-নিশাহৰ মাজত বিচাৰি পাইছোঁ আমাৰ
নিজৰেই তেজৰ শব্দ
ধপ্ ধপ্ ধপ্ ধপ্ মাটিৰ বুকুৰ শব্দ
ৰহস্যজনকভাৱে গজিব ধৰা গজালিৰ শব্দ
আহিব ধৰা এটা শিশুৰ কলিজাৰ শব্দ

নৈ নিজানত
কোনোবাই যেন জুৰিছে এফাকি গীত

নৈৰ পানীত কঁপি কঁপি তৰাবোৰৰ ছাঁ

আলফুলে শুই পৰিছে নদী। দূৰৰ কোনোবা বালি চাপৰিত
মাটিৰ এগছি চাকি। এইখিনিতে পকনীয়াত বুৰিছিল
এখনি নাও। চাপৰিত লাগি আছে সেই নাৱৰ সোঁৱৰণি
মাজে মাজে দেখোঁ কোনোবা এটাই চহৰত
টোকাৰী বজাই গাই ফুৰে
হেৰোৱা নাৱৰ গীত
হেৰোৱা গাঁৱৰ গীত
(মানুহজনৰো কিবা এটা হেৰাইছিল নেকি বাৰু)
থুঁতৰিত হাত থৈ পাহাৰখনে চাই আছে নৈৰ কোলাৰ পৰা
লানি লাগি গুছি যোৱা ডাৱৰবোৰৰ ফালে

এই গাঁৱৰ পৰাইতো ওলাই আহিব সেই শিশু
হালোৱা-হজুৱাৰ ল'ৰা
আইৰ চকুপানী মচি জগতসভালৈ যাব
খেতিৰ বতৰা দিব
গৰুৰ খোজত দেখা সপোনৰ কথা ক'ব
বিষাদৰ ভেটা ভাঙি বৈ অহা উলাহৰ কথা ক'ব
আৰু ক'ব কোনেও চিনি নোপোৱা সাধাৰণ মানুহৰ কথা

জোনটো লাহে লাহে খহি পৰিছে
জুই যেন তোমাৰ বুকুখনিৰ মাজত
লাহে লাহে খহি পৰিছোঁ মই
যিদৰে বছৰৰ পিছত বছৰ ধৰি খহি পৰে নদীৰ বুকুত বৰফ

ভালপোৱাৰ বাটত একো একোজন মানুহ, একো একোজন মহাপুৰুষ
তেজ সৰি সৰি
কি যে এক অবুজ আনন্দ

J-NO= 13

মই জীয়াই আছোঁ তোমাৰ লাহ-বিলাসৰ মাজত
নিতে নতুন হোৱা তুমি মোৰ দৰিদ্রতাৰ ৰাজহাউলিৰ মাজত
মোৰ ভালপোৱাৰো ভালপোৱা তুমি
তোমাৰ ভালপোৱা হাল নোবোৱা এখনি পথাৰ
য'ত নতুন খেতিয়কে বিচাৰি পাব এদিন
সোণালী শইচৰ ভাৰ

নীলা খামটো

আনিছ উজ্ জামান

খাম্‌টো পঠালা
খামটোত পঠাই দিম নেকি বুকুখন
শব্দবোৰ গোটাই ল'বা
যিবোৰ বতাহে কঢ়িয়াব নোৱাৰে
অথচ পানীত পেলালে
টো এটা তুলি মিচিকিয়াই যায়

খামটো পঠালা
খামটোত পঠাই দিম নেকি নিৰৱতা
এটা কৰুণ অভিজ্ঞতা
য'ত তুমি নিজৰ বাবেই গীত এটি গুণগুণাই থাকিব
পাৰিবা
ৰো ৰোৱাই পুৰি থৈ হিয়া

খামটো পঠালা
তাতেই পঠাই দিম নেকি জোনাক
লগত এটা হেৰাই যোৱা অতীত
য'ত তুমি জোনাকীবোৰ গোটাই আনি
পোহৰ কৰি দিব পাৰিবা হৃদয়

এনেকুৱা খামতেই থাকে
দুখ বেদনা
হাঁহি আনন্দ
আশা নিৰাশা
পোৱা নোপোৱাৰ সম্ভেদ

প্রেমৰ জয়যাত্রা এই খামতেই

কিয় বাৰু অতীতটো মোহাৰি আনি
মোৰ বুকুৰ মাজত ভৰাই দিছাহি
এই নীলা খামটো।

শ্মশান

নীলিম কুমাৰ

পানীৰ মাজতো এখন শ্মশান আছে মাছবোৰৰ

আকাশৰ মাজতো এখন শ্মশান আছে তৰাবোৰৰ

অৰণ্যৰ মাজতো এখন শ্মশান আছে গছবোৰৰ

কিন্তু ক'ত আছে
সেইখন শ্মশান

দেওলগা গছজোপায়ো নক'লে
ক'ত আছে সেইখন শ্মশান

য'ত চৰাইবোৰে জ্বলাই দিছিল প্ৰেম ?

কথাৰ মালিতা

শঙ্কৰ শইকীয়া

কথাবোৰ
কথা হৈ থকাহেঁতেন কথা নাছিল
কথবোৰে নামটো সলাই লৈ প্ৰতিশ্ৰুতি হ'ল
প্ৰতিশ্ৰুতিবোৰো
প্ৰতিশ্ৰুতি হৈ থকাহেঁতেন কথা নাছিল
প্ৰতিশ্ৰুতিবোৰে নামটো সলাই লৈ প্ৰতাৰণা হ'ল
প্ৰতাৰণাবোৰো
প্ৰতাৰণা হৈ থকাহেঁতেন কথা নাছিল
প্ৰতাৰণাবোৰে নামটো সলাই লৈ গণতন্ত্ৰ হ'ল
গণতন্ত্ৰ
গণতন্ত্ৰ হৈ থকাহেঁতেন কথা নাছিল
গণতন্ত্ৰয়ো নামটো সলাই লৈ স্বৈৰতন্ত্ৰ হ'ল
স্বৈৰতন্ত্ৰয়ো নিজৰ নামটো সলাই লৈ
সমাজবাদ ধৰ্মনিৰপেক্ষ ভ্ৰাতৃত্ব সমানতাৰ
একোখন মুখা পিন্ধি ল'লে

কথাবোৰ
কথা হৈ থকাহেঁতেন কথা নাছিল
কিয়নো
কথাবোৰ কথা হৈ থকাহেঁতেন
মানুহে কথাত বিশ্বাস কৰিলেহেঁতেন
এজোপা ফুল ৰুলে ফুলেই গজিলেহেঁতেন
কিন্তু
যেতিয়া ফুলৰ গুটিৰ আৱৰণৰ মাজত লুকাই থাকে
বিহৰ ভ্ৰূণ
তেতিয়া

ফুলৰ গুটিৰ পৰা গজি উঠে বিহ গছ
সুন্দৰ মনোমোহা
আৰু
প্ৰতাৰণাই হাত বাউলি দি মাতে বাৰে বাৰে প্ৰতিশ্ৰুতিৰ নামত
প্ৰগতিৰ নামত অধোগতিৰ অন্তহীন যাত্ৰা
শেষত যুদ্ধ

যুদ্ধৰ কোনো দেশ নাথাকে
যুদ্ধৰ কোনো নাম নাথাকে ধ্বংসৰ বাহিৰে
যুদ্ধৰ কোনো পৰিচয় নাথাকে
যুদ্ধৰ কোনো সম্বন্ধ নাথাকে

যুদ্ধৰে কোনো জয়ী হোৱা নাই কেতিয়াও
কিয়নো
যুদ্ধই কেতিয়াও নামটো সলাব নোৱাৰে
যুদ্ধই কেতিয়াও মুখা পিন্ধিব নোৱাৰে যুদ্ধৰ বাহিৰে
যুদ্ধই সদায়েই মাতে মানৱতাৰ মৃত্যু
কিয়নো
মৃত্যুৰ আন নাম জন্ম নহয়

কথাবোৰ কথা হৈ থকাই ভাল
আকাশখন আকাশ হৈ থকাই ভাল
মেঘে ঘৰ সাজিব পাৰে
মেঘবোৰ মেঘ হৈ থকাই ভাল
বৰষুণ দিব পাৰে
বৰষুণবোৰ বৰষুণ হৈ থকাই ভাল
পানীয়ে ধুৱাব পাৰে পৃথিৱী

আহক এজাক বৰষুণৰ বাবে সমদল কৰোঁ

এজাক পচোৱাৰ বাবে প্ৰাৰ্থনা কৰোঁ
মৰহা পাত সৰাই কুঁহিপাত অনাৰ বাবে
ধোঁৱা ছাই বুলেটৰ খোলাৰ সলনি
পৃথিৱীখন সেউজীয়া কৰাৰ বাবে

য'ত
ধূলিৰ আস্তৰণে বেলিটো ঢাকিব নোৱাৰে
এবাৰ বাঁহীৰ সুৰ এটা বজাও আহক
চৰাইবোৰ উৰক
পখিলাবোৰে জাকি মাৰক
সপোনবোৰ ওমলক হাতত

পুৰণি স্মৃতি

অর্চনা পূজাৰী

তোমাৰ ওঁঠ আঁজুৰি উলিয়াব নোৱৰা কথাবোৰ
তোমাৰ চকুত ওলমি আছে বুলি
মই আকৌ এবাৰ উভতি চালোঁ
পুৰণি ঠাইখনলৈ গৈছে
এঠা লগাদি লাগি আহিল কথাবোৰ
পুৰণি ভাবনাত তুমি এটা জ্বলন্ত সূর্য

পুৰণি আঁহতজোপায়ো ক'লে
গৰখীয়া ল'ৰাটিৰ বাঁহীৰ সুৰটো
ডালে-পাতে বগাই ফুৰে
কবিতাই ক'লে
তোমাৰ বাবেই আজিও ৰৈ আছে
মিনা কৰা মিনা কৰা শব্দপ্রপাত

বহু দূৰ বাটকুৰি বাই আহি থাকোঁতে
বতাহৰ বা লাগি
জিৰজিৰকৈ মই বৈ গ'লোঁ
পুৰণি ঠাইখন, পুৰণি কবিতা, পুৰণি স্মৃতি
পুৰণি কথাৰ থুনপাক
দিক্ হেৰুওৱা নাৱিকে যেন
উপকূল বিচাৰি পালে

চকুৰ সমুখতো বুঢ়া পাহাৰটো
ডেকা হোৱা দেখিলোঁ
পৰঙি জালৰ ফুটাৰে পুৰণি বেলিটোৱে
কথা কোৱা দেখিলোঁ

দেও-দৰিকৰ স'তে
কাজিৰঙাই গান গোৱা দেখিলোঁ
হাতীত উঠি কথাবোৰ
পকী আলিৰে আহি থকা দেখিলোঁ
মই সঁচাই আশ্বস্ত হ'লোঁ

নিলাজ বজাৰ

মুনীন্দ্ৰ কুমাৰ মহন্ত

বজাৰত ফুৰে আজিকালি
বহুতেই

বিক্ৰেতাৰ চিকুণ সাধু
আৰু মনোমোহা সামগ্ৰী

গা-ঘেলাই এনে বজাৰত
বজাৰবোৰে

সোণৰ উঠা নমা বজাৰত
সোণ থপিয়াই বুকুৰ উচ্চতা বঢ়াই

জিভাৰ বজাৰত ফুৰি
বজাৰে উদৰ পূৰাই

বজাৰত বজাৰ এনেবোৰ

বজাৰত ৰূপ বিক্ৰী হয়
যৌৱনৰ পৰা ভাটি যৌৱনো বিকে
বজাৰৰ বজাৰ সবে

কাণে কাণে শুনা সৰ্বজন

ৰূপৰ যৌৱন নে মৌবন
কিনিব গ'ল এখন বজাৰ

বজাৰতে কিনিলে বজাৰে বজাৰক
এন্ধাৰত চিনিকে নাপালে

পতিৰ বজাৰ পত্নী
পত্নীৰ বজাৰ পতি

ছিঃ, লাজবোৰো ইমান নিলাজ
বজাৰৰ বজাৰৰ ...

তুমি মোক কথা দিছিলা

অনুপমা বসুমতাৰী

জীৱনটোকেই উটুৱাই নিব খোজা
দুখৰ নদীখনৰ পৰা
মোক পাৰ কৰি নিম বুলি
তুমি মোক কথা দিছিলা

নদীৰ মাজতেই অকলশৰে
মোক কাহানিবা
এৰি থৈ যাবা বুলি
মই যে সপোনতো ভবা নাছিলোঁ

ফেনে ফোটোকাৰে উফন্দি অহা
ভয়ানক দুখৰ নদীৰ সোঁতত কক্‌বকাই
মই হয়তো হেৰাই যাম
অথবা বৈ যাম

তুমি হয়তো জিৰাবাগৈ
কোনো অচিন দেশত
আপোন কৰি ল'বা
কোনো প্ৰিয়জনক

আৰু চিৰদিনলৈ পাহৰি যাবা
দুখৰ দিনত একেলগে পাৰ কৰা
আমাৰ ধুনীয়া দিনবোৰৰ কথা

অন্ধকাৰত অর্দ্ধাকাশ

সমীন্দ্ৰ হুজুৰি

বনবাসী ৰাম উভতিছে
অযোধ্যা জুৰি দ্বীপান্বিতা

স্বেচ্ছা বনবাসী
অপহৃতা জনক-নন্দিনীক
নুসুজে অযোধ্যাই
তেওঁ যে নাৰী
ধাৰণ কৰে গর্ভ
অৰণ্যৰ আশ্রয়ত
ওপজায় উত্তৰাধিকাৰ
আৰু ৰাম হয়
আদর্শ ৰাজন
সেই ৰামৰাজৰ বাবেই নেকি
জৰাগ্রস্ত এই দেশ

হস্তিনাপুৰৰ ৰাজসভা
ধীমান বীর্যমান শক্তিমান
পঞ্চস্বামীৰ চকুৰ আগতে
বিবস্ত্র হ'লে দ্রৌপদী
ভ্রষ্ট নহয় ধর্ম
ধর্ম যে অলংকাৰ
ধর্ম যুধিষ্ঠিৰৰ

অলংকাৰৰ মোহ যদিও
নাছিল দ্রৌপদীৰ
অলংকাৰৰ মোহে বিয়পায়

শিকলিৰ স্বৰ্ণহাৰ
অন্ধকাৰত ডুবি থাকে
অৰ্দ্ধ আকাশ

ৰূপ কনোৱাৰ
ৰূপ কনোৱাৰ
জাহ যাব নুখুজিলে
পৰম্পৰাৰ কথা কৈ
চিতাত তুলি যিসকলে
উদ্ধাৰ কৰিব খোজে তোমাক
সিহঁতেই দেশৰ নামত
জ্বলায় দেশৰ অৱশেষ

খাদ্যৰ গুদামত
আলাই আথানি হ'লে
চাৰিশ পঁচিছ কোটি টকাৰ চাউল
কি আহে যায় সেইসকলৰ
প্রসূতিৰ নাই ভোকৰ ভাত
গর্ভতে মৰিছে দেৱ শিশু
অপুষ্টিৰ মহামাৰী
সংক্রামিত দিশে দিশে
বাঢ়িছে জি ডি পি

দৈৱকীৰ কাতৰ মিনতি
কোন কংসই শুনে
হে দৈৱকী আই
কোলালৈ আনা কৃষ্ণ
অসুৰ বধি
বাস যোগ্য কৰক বসুধা

মোহন বাঁহীৰে
বৃন্দাবন হওক মতলীয়া
ৰাধাৰ বাসনা বুজে যিয়ে
বুজি পায় কাৰাৰ যন্ত্রণা

আনকি যি কথা নুবুজিলে
পাণ্ডৱ জননীয়েও
বেনজিৰ বীৰ কর্ণৰ
থাকোতেও সকলো বৈভৱ
দ্রৌপদীয়ে নোৱাৰিলে বৰিব বৰ

অপবাদ অপবাদ...
অপবাদৰ ভয়
কুন্তীৰ অপবাদ পর্ব
নাই হোৱা শেষ
অপবাদৰ ভয়ত
গর্ভৱতী সীতাৰ বনবাস
অপবাদৰ ভয়ত
দগ্ধ ৰূপ কনোৱাৰ

অপবাদৰ ভয়
জয় কৰে কোনে

কার্য কাৰণৰ দায়
যিয়ে বুজি পায়
বুজি পালে সেই অক্ষয় মন্ত্র
অধিকাৰ আজুৰি লৈ
ক্রান্তিৰ আৰিয়া হ'ব
অৰ্দ্ধ আকাশ
হ'ব—

গণতন্ত্র

এম. কামালুদ্দিন আহমেদ

ৰাস্তাটো ভৰি আছে ফুলেৰে
নাম জনা আৰু নজনা
সেই ফুলবোৰ গচকি নোযোৱাটোৱে
গণতন্ত্ৰৰ এটা ঢাপ

হাত মেলিলেই
তুমি চিঙিব পৰা
সুমিষ্ট ফলবোৰ
তোমাৰ হাতৰ এটা ইংগিতত
ফলেৰে দোঁ খাই থকা ডালবোৰ
তোমাৰ মুৰৰ পৰা,
গুচি গৈছে দুৰলে'
তোমাৰ অধিকাৰত

ৰাতিপুৱাৰ চৰাইৰ এটি দীঘলীয়া সুহুৰি
চব্বিছ ঘণ্টাত তুমি ভগাই দিছা
গণতন্ত্ৰ

তোমাৰ মনৰ পুখুৰীত
দহোখন হাত মেলি দিয়া
মাছবোৰে
উশাহ লৈছে স্ফূৰ্তিত
কমাই ফুৰিছে
সিহঁতৰ ৰূপালীখিনিত
গণতন্ত্ৰৰ এচেৰেঙা পোহৰ
লিপিত খাই আছে

চৰাই উৰে সমজুৱাৰ মনৰ মাজেৰে
ৰাস্তা ভৰি পৰে ফুলেৰে
ফুলত ভৰি নপৰাকৈ
সন্তৰ্পণে আগবাঢ়ে
তোমাৰ খোজ

গণতন্ত্ৰ
গণতন্ত্ৰ
আঃ

মৃত্যু গাঁথা

মণিমুগ্ধ মহন্ত

সময়ত আনন্দও বিষাদ হয়
আৰু প্ৰেম হয় ঘৃণা

শূন্যতাৰ বিশাল অৰণ্যৰ মাজেৰে
নিৰ্বিকাৰ মাথোন
বৈ ৰয় সময় নৈ

সন্দেহ নাই
এদিন সকলো নিজান হ'ব
নিজানতে ফুলিব
মৃত্যুৰ বিশ্বস্ত ফুল
কাৰণ সময়ৰ লক্ষ্যভেদ
চিৰকালেইতো নিৰ্ভুল

কোনে ক'ব
কোন আছে ক'ত আছে
মৃত্যুৱে যাক পাহৰিছে
আৰু জীয়ায়েই বাৰু
আমি আছোঁনে সঁচাই
আমাৰ খোজৰ ধূলিতে
দেখোন উৰিব লাগিছে
ব্যৰ্থ জীৱনৰ ছাই
আছোঁ নে সঁচাকৈয়ে জীয়াই
নে মৃত্যুৰ আগতেই
আমাক কোনোবাই
চিতাত থৈছে শুৱাই

এদিন অৰ্থহীন এই
হুমুনিয়াহৰ অন্ত পেলাই
মৃত্যুৰ লগত উৰা মাৰিম
মহাশূন্যৰ শেঁতেলিলৈ
য'ত অন্তহীন শূন্যতাৰ মেলা
তাতেই হেঁপাহ পলুৱাই খেলিম
মৃত্যুৰ স'তে আমাৰ
মধুৰ আলিঙ্গনৰ খেলা
আৰু বাধাহীনভাৱে
উদ্‌যাপন কৰিম
মৃত্যুৰ অমল উৎসৱ
মৰণৰে তুহু মম শ্যাম সমান...

চকুলোত যায় ভাঁহি

ড° নীলিমা গোস্বামী শর্মা

মনে বিচাৰিলেও
ঢুকি নোপোৱা এটা বিন্দুত
তোমাৰ অৱস্থান। কি খাইছা
পিন্ধিছা কি। উপাই নাই জনাৰ।
জাৰ জহ বাৰিষা। পাৰ হোৱাৰ দৰে
সময় গৈছে উৰি।
কুৰিটা বসন্ত ছিৱাছিৰ কৰি।
ক'ত থওঁ তোমাক। ক'ত থওঁ মোক।
মাজত দুটা বাঁহী। সু�ৰৰ গুণ গুণনি
শুনি নে নুশুনি। চকুলোত যায় ভাঁহি

মোৰ বাবে মা-দেউতাৰ বাবে

ড° নীলিমা গোস্বামী শর্মা

মমতা। তুমি গুচি গ'লা।
জীৱন-যৌৱন একাকাৰ কৰি।
অকালতে। শোকৰ শৰে বিন্ধি আছে।
এতিয়াও। তেতিয়াৰে পৰা।
জিৰাও ক'ত। বুকুভৰি কথা কওঁ
কাক। তুমি দিয়া এধানি মৰম।
সময়ে মচিব নোৱাৰে। যদিও তোমাৰ
সতে মোৰ বহুদিনৰ লেন দেন
...তুমিতো নাথাকিলা ৰৈ।
মোৰ বাবে। মা-দেউতাৰ বাবে

নৈঃশব্দৰ শব্দ

ড° নীলিমা গোস্বামী শর্মা

দুখে বেজাৰে হাঁহিয়ে কান্দোনে
তোমাৰ সতে মই। বহুবাৰ কবিতাৰ বৰষুণত
তিতিলোঁ। কথা কটাকটিও কৰিলোঁ।
বিভোৰ হৈ চাই ৰ'লোঁ। স্মৃতি বিনন্দীয়া।
নিশা দুপৰত নে কাঁহিলি পুৱাতে তোমাৰ মাতত
সপোনৰ সন্ধান পালোঁ। কেনেকৈ পাহৰো তোমাক।
হেঙুল বৰণীয়া কৰা মোৰ জীৱনক। নৈঃশব্দৰ
শব্দ হৈ। চিৰদিন চিৰকাল।

বহুদিন উঠা নাই চিটি বাছত

ধীৰাজ বিশ্বাসী

বাইকখন হ'বৰে পৰা
গাড়ীখন হ'বৰে পৰা
বহুদিন উঠা নাই চিটি বাছত
চিটি বাছত উঠা নাই বাবেই
মই তোমাক লগ পোৱা নাই
ধূসৰ হৈ পৰিছে তোমাৰ মুখ
ঠেলা হেঁচা ঘামৰ গন্ধ
বিবিধ আলোচনা তর্ক-বিতর্ক
কপালৰ চাপ সহনশীলতা
মই যেন পাহৰি গৈছোঁ সমস্ত

বাইকখন হ'বৰে পৰা
গাড়ীখন হ'বৰে পৰা
বহুদিন উঠা নাই চিটি বাছত
চিটি বাছত উঠা নাই বাবেই
চোলাৰ ইষ্ত্রিৰ ভাঁজবোৰত পৰা নাই আঘাত
মন মগজুৰ ইষ্ত্রিৰ ভাঁজবোৰ বিনষ্টকাৰী
কথাবোৰো শুনা নাই বহুদিন
এয়াই কিজানি উন্নতি
উন্নতি মানেই কিজানি দূৰত্ব
মানুহৰ পৰা মানুহৰ দূৰত্ব।

ৰৰফ গলিছে

ৰত্নেশ্বৰ মিলি

আকাশ জুৰি ৰৰফ গলিছে
তোমালৈ ৰৰকৈ মনত পৰিছে
(ঠাণ্ডা লাগিলে
ভাল লাগে দিয়াচোন
মৰমবোৰ দুচকুত ওমলে)

বিজুলী বাতি নজ্বলা দেশত
খেতিয়কৰ কামিহাড় কঁপিছে
নাঙলৰ মুঠিত
কোৰৰ নালত

দাৱনীৰ গামোচিউৱা খোপাবোৰ
চিক্‌মিক্ জোন কাচিবোৰ

কোনোবা বিলত
মাছুৱৈ তিৰোতাবোৰৰ
বুকুৰ ধৰণী কঁপিছে

উভতি অহা বাটত
শাৰী শাৰীকৈ
মূৰৰ চালনী কঁপিছে
পুঠি খলিহনা কাৱৈ কান্দুলী
ঠেৰেঙা লাগি মৰিছে

নাহৰণি গাঁৱৰ চাংঘৰবোৰত
নিয়ৰ উৰুখিছে

জুইশাল ৰৰফ হৈছে
কাঠ খৰি ধৰি
জুই সেকি
আইতাৰ দুহাত ভাগৰিছে

আকাশ জুৰি ৰৰফ গলিছে
তোমালৈ ৰৰকৈ মনত পৰিছে

ককাৰ খৰমযোৰ

ৰত্নেশ্বৰ মিলি

ককা
নাঙলৰ লগত তোমাৰ আশৈশৱ সম্পর্ক
কোৰ আৰু কুঠাৰৰ স'তে যুঁজি
দুসাজ দুমুঠি খোৱা তোমাৰ হাত
তোমাৰ চিৰালফটা তলুৱাৰ দুভৰিত
ন নম্বৰৰ এযোৰ খৰম। খৰমযোৰ
এলান্ধুৰ দৰে। বেতৰ ফিটা
আৰু কাঠৰ পাদুকা

তুমি কাহানিও গচকা নাই দুভৰিৰে
মটৰ গাড়ীৰ ব্রেক
তথাপি কসুমমালা ছন্দৰ গতি
তোমাৰ কর্মৰ গতি
জীৱন সংগ্রাম
সঁচাই অবিৰাম

সেহাই সেহাই
শিল বোকা আৰু কাঁইটীয়া বাট বুলুতে
তোমাৰ চাৰিকুৰিৰ দেওনা পাৰ হ'ল
অথচ এতিয়াও ঠিকেই আছে
তোমাৰ খৰমযোৰ
ঠাণ্ডাত নকঁপা ফিটা। গৰমত নদহা কাঠ

ককা
সদায় কামৰ মাজতে তোমাক বিচাৰি পাওঁ
তোমাৰ বহল পথাৰত অজস্র সেউজীয়া গছ

য'ত গোন্ধ নাই মৃত্যুমুখী ধোঁৱাৰ
পকা হালধীয়া ৰঙৰ
তোমাৰ প্রতিটো পুৱাই সাৰ পায়
কুকুৰাৰ প্রথম ডাকত
আৰু আমি সাৰ পাওঁ
চটপ্ চটপ্
তোমাৰ খৰমযোৰৰ শব্দত

উপেক্ষিতাৰ ক্ৰন্দন

দীপক গোস্বামী

বহু নিৰ্লজ্জ বসন্ত অতিক্ৰম কৰিলোঁ আমি
নিৰ্বাক, নিস্পন্দন হৈ মৃতকৰ দৰে
পৰিৱৰ্তনৰ বিশাল পাহাৰ ওপৰলৈ তুলি
ধ্বংসৰ লালসাত উন্মত্ত নৈক বাধা দিব খোজা
সিহঁত কিন্তু আমাৰ তেনেই পৰিচিত।

সাহস নিদিয়ে আমাক সিহঁতৰ সোণালী আখৰবোৰে
সমাধান, নিবাৰণ আদি শব্দবোৰ মচি দিয়ে
সাময়িক শাৰীৰিক উত্তেজনাই
যেন নোদোকা আঙুলিৰে বালিতহে লিখা
সিহঁত কিন্তু আমাৰ তেনেই পৰিচিত।

স্তুপীকৃত বেদনাবোৰ সাৰ পালে
টেঁটু কাটি দিবৰ মন যায় আমাৰো
হাতবোৰ অজানিতে কিন্তু স্তব্ধ হৈ ৰয়।
প্ৰেমৰ চিহ্ন সিহঁতৰ ৰংচঙীয়া কাগজবোৰ হাতত লৈ
বেদনাবোৰ উৰুৱাই দিও কলঘৰৰ ধোঁৱাৰ দৰে
প্ৰতিখনেই যে আমাৰ এটোপ এটোপ কেঁচা তেজ।
সিহঁত কিন্তু আমাৰ তেনেই পৰিচিত।

শ্ৰদ্ধাৰ্ঘ (হীৰুদাৰ সোঁৱৰণত)

ৰঞ্জিতা দাস লহকৰ

সুগন্ধি পখিলা খেদি ফুৰা কবিজন
এতিয়া নিদ্ৰাত
পখিলাবোৰেহে ৰূপৰ পোহাৰ মেলি
তেওঁক আগচি ধৰিছে

ফুল, তৰা, বেলি, আকাশৰ ছবি
যাদুকৰী শব্দৰে আঁকি আঁকি
তেওঁ যে ভাগৰুৱা
ক্লান্তিত তেওঁৰ দুচকু জাপ খোৱা

মুদ খাই পৰা চকুযোৰ
আৰু কাহানিও নেমেলে তেওঁ

জীৱনৰ কঠিন শিলত কটা
ভাস্কৰ্য হৈ
তেওঁ মাথোঁ পৰি ৰ'ল
উজাগৰ ৰাতি
আৰু সপোন নেদেখে তেওঁ

শাওনৰ ছবি

ৰঞ্জিতা দাস লহকৰ

আকাশত ঢপলিয়াই ফুৰা মেঘবোৰ
হঠাৎ কৰ্ফাল খাই পৰিল পাহাৰখনত
আৰু
ক্ষনিকতে
হুৰ হুৰাই নামি আহিল
এজাক বৰষুণ
হেঁপাহৰ

হিয়াৰ মাজত

মিনতি মেধি

মাজনিশা
দুৱাৰত টোকৰ শুনি
ওলাই আহিলোঁ

দুৱাৰ মুখত তুমি নাই

তোমাৰ স্থিতি
মোৰ হিয়াৰ মাজত

আমাৰ সময়ৰ ইতিহাস

মিনতি মেধি

তোমালোকৰ
বৰফ শীতল হৃদয়বোৰ
গলিবনে কেতিয়াবা ?
নে,
তেজৰ ফাকুৰে খেলি থকা
আমাৰ সময়ৰ ইতিহাস
ৰচাৰ পণ লৈছা ?

এটা নতুন দিনৰ আৰম্ভণি

ধীৰাজ পাটৰ

লালুকৰ তেজৰঙা বেলিটো প্ৰথম দেখিলোঁ
পুৱাৰ পৰা লানি নিছিগা মানুহৰ সোঁত
সোৱণশিৰিৰ ঘাট

বনভোজ নে বালিভোজ
মুঠতে এসাঁজ খাব সমনীয়াৰ সৈতে
গিলিব এবাটি আপং

বিহুগীত, ঐনিঃতম নে আন কিবা
মুঠতে কাঁহী আৰু বটুৱা বজাই নাচিব সিহঁতে
উথপ্‌থপ্‌ উথপ্‌থপ্‌ সোৱণশিৰিৰ ঘাট
আৰু তাকে চাবলৈ আমিও
নৰাফালি চমুৱাইছো বাট

আঘোণ

ধীৰাজ পাটৰ

তই আহিলেই মোৰ অঁপেতা
সপোনে আকৌ সাৰপায়
তোৰ সোণবৰণীয়া লাহীদেহক
থৰ লাগি চাওঁতে কৰ্ফাল খাওঁ আলিত

নিশাৰ আকাশত তৰা লেখোঁ
কলঙেদি উজাওঁ ভটিয়াওঁ

কাৰণ তই আহিলেই আই আৰু পিতাইৰ
মুখত হাঁহি বিৰিঙে
আৰু মই তোৰ দুচকুত দেখো
মই বিচাৰি ফুৰা এখন সুগঢ়ি মুখ।

সময় বাগৰিছে

নিভাশ্রী ডেকা

সময় বাগৰিছে
মন-প্রাণ দহিছে
চকুলো নিগৰি নপৰা
প্রকৃতিৰ অন্তৰ ৰোদনত
ধৰণীয়ে ফাট মেলিছে।

হেৰালে ফাগুণৰ উৰণীয়া বা
লুকালে শীতল ছাঁ
শুকালে মেঘৰ চকুলো
থমকিলে বৰষুণ।

গীত নোগোৱা পখী হৈ
মাথো চাই ৰ'লোঁ,
শুকান হ্রদ হৈ
মাথো অপেক্ষাত ৰ'লোঁ
আহিব বুলি নতুন আলোক
পাম বুলি ঘূৰাই সকলো।

শ্রমিক

নিভাশ্রী ডেকা

শ্রমিক তুমি তিনিওকালৰ
শ্রমিক তুমি যুগ যুগান্তৰৰ
যুগে যুগে চলাইছা
কৰ্মৰ সন্ধান
দেখুৱাইছা শ্রমৰ
নতুন আধাৰ।

এলাহ-ভাগৰক
প্রশ্রয় নিদিয়াকৈ
কেৱল শ্রম কৰি গ'লা
বিশ্ব উন্নয়নৰ হকে
ন ন সৃষ্টিৰ পাতনি মেলিলা।

উন্নয়নৰ পথত কেতিয়াও
থমকি নৰ'লা
মাথো আগুৱাই গ'লা
শ্রমৰ সার্থকতাৰ
পৰিচয় দিলা।

শ্রমিক তোমাক
প্রণিপাত জনালোঁ
তোমাৰ শ্রমক
ধন্য মানিলোঁ।

জোচেফাইন

ইন্দ্রানী চৌধুৰী

জোচেফাইন জোচেফাইন
মোৰ অন্তৰত আজি
অন্তৰদাহ হৈছে
কিহেৰে বুজাম যে
তোমাক
এই বিশ্বজয় কৰা

সকলোবোৰ দেশ
তোমাৰ বাবেই থৈছিলোঁ

বাহিৰৰ পৃথিৱীখন চাওঁ
তুমি যেন মোৰ হৈয়েই আছা
লাগে মাথো মোক
তুমি মোৰ বাবেই

তুমি বুজি নাপাবা
বা নাভাবিবাও
তুমি বিহিন এই পৃথিৱী
কিমান যে নিস্প্রভ

কিন্তু আজি মই
এক গভীৰ ত্রাসত
চেণ্টহেলেণাৰ
এটি সৰু দ্বীপত

মই আজি
কম্পমান আৰু স্তব্ধ
নিয়তিৰ জীৱন বেলাত
মই আজি
এক সংকটময়
অৱস্থাত

মোৰ অন্তৰদাহ
আজি কোনে
ফলৱতী কৰিব?

জোচেফাইন
নাপাহৰিবা
তুমি।

মোৰ প্ৰতিবিম্ব হৈ
তোমাৰ পৱিত্ৰ আত্মা
মোৰ হৈ
সদায় কান্দিব

ৰাতিৰ ভোঁটা তৰাটোক মই
সদায় কম
চিঞৰি চিঞৰি
কম
তুমি মোৰ বাবেই
জোচেফাইন।

কবিতাৰ বাবে কবিতা

শিবানী দে

কাণী নৈত বান অনা কবি জনী...
তুমি মোক কৈছা কবিতা লিখিবলৈ
কবি হৈ ছন্দে ছন্দে কবিতা ৰচিবলৈ...

নোৱাৰো নেকি সচাঁয়ে মই কবি হ'বলৈ?
...কবিতা ৰচিবলৈ?
চিয়াঁহীৰ আখৰত ফুটাই তুলিবলৈ
মোৰ মনৰ অগণন আবেগৰ ধাৰাক?

দিয়া মোক সেই আশীষ সনা কলম
যিয়ে মোক লৈ যায় কবিৰ সেই অচিন দেশলৈ...

কাৰণ...
মইও উটি ভাহি যাব খোজো,
অকাৰণ আবেগৰ ছন্দৰ বন্যাত,
তুলিব খোজো কল্পনাৰ অনুৰণন
কবিতাৰ ছন্দে ছন্দে...

কাণী নৈত তুমি যদি বান আনিব পাৰা
তেনেহ'লে...
মোৰ কলমৰ মাজেদিও সৃজন হ'ব পাৰে
কবিতাৰ এক নতুন অধ্যায়।

বি.দ্ৰ. 'কাণী নৈত বান আহিছিল' কাব্য গ্ৰন্থৰ প্ৰণেতা কবি ড° নীলিমা গোস্বামী শৰ্মাই শিবানী দেক 'সোঁৱৰণি'ৰ বাবে কবিতা লিখিবলৈ অনুৰোধ কৰাৰ পৰিপ্ৰেক্ষিতত লিখা এই কবিতাটো।

তেইশ ফেব্রুৱাৰীৰ আবেলি

ডালিমী পাঠক

তেইশ ফেব্রুৱাৰীৰ আবেলি
বিহামপুৰলৈ যাওঁতে
মনটো বাউলি হৈছিল

মৰাশৰ দৰে পৰি থকা
দীঘলীয়া আলিবাটটোৰ ওপৰেদি
একান্তভাৱে গৈ আছিল
গাড়ীখন

আৰু মোৰ হৃদয়খন
ক্ৰমশঃ তিতিছিল
কিন্‌কিনিয়া বৰষুণত
ফিৰ্‌ফিৰিয়া বতাহত

অন্তৰত বিজুলিয়াইছিল
দুয়োকাষৰ পথাৰবোৰ
হঠাৎ চমকি উঠিছিল
স্মৃতিবোৰ

লুতুৰি পুতুৰি সৰিয়হ হালধীয়া
আকুহি বাকুহি গো-ধূলিৰ গোন্ধ

বিৰ দি উভতি আহি
আকৌ ৰঙীণ হৈছিল শৈশৱ
সাধুকথা হ'বলৈ ধৰা

গাঁৱৰ বৈভৱ

সেইদিনা স্তব্ধ হৈছিল
জোনাকী পৰুৱাৰ গতি
আৰু উঁইচিৰিঙাৰ বাঁহী

গাড়ীখন বিহামপুৰলৈ গৈ আছিল
আৰু মই গৈ আছিলোঁ
সোঁৱৰণিৰ কবৰ খান্দি
তেইশ ফেব্রুৱাৰীৰ আবেলি

দুখৰ একাঁজলি স্মৃতি

ৰীমা দত্ত

তোমাৰ সুখৰ বাবে
নজ্বলাবা পুনৰ
মোৰ অশ্রুৰ...
দুখৰ চাকিৰ
শলিতা গছি

আজি শূন্য মোৰ মন্দিৰ
নাই অর্ঘ্য
নাই মন্ত্র
পূজাৰ বেদীও খালি
উকা হৃদয়ত
আছে মাথো
দুখৰ একাঁজলি স্মৃতি

স্মৃতি

দিগন্ত কলিতা

মোৰ এতিয়াও ভালদৰে মনত আছে
তোমাৰ বাৰু আছেনে ?
অতীতৰ সেই সোণালী দিনটোৰ কথা
যিদিনা তোমাক মই প্রথম দেখিছিলোঁ
আৰু সেইদিনাই আগবঢ়াইছিলোঁ
তোমালৈ বুলি বন্ধুত্বৰ হাত।

আৰু তুমিও মোৰ হাতত হাত থৈ চকুত চকু থৈ
মোৰ বন্ধুত্বক আঁকোৱালি লৈছিলা।
আৰু দুয়ো দুয়োকে কথা দিছিলোঁ
সুখত সুখী আৰু দুখৰ সমভাগী হ'ম বুলি

কিন্তু কি হ'ল ? কিয় তুমি গুচি গ'লা ?
এইবোৰক মিছা প্রমাণিত কৰি
মোৰ পৰা বহু আঁতৰলৈ।
আজি মই নিঠৰুৱা ! আজি মই অকলশৰীয়া !
মোৰ যেন সকলো থাকিও একো নাই !

মই জীয়াই আছো এজন অস্তিত্ব বিহীন মানুহৰ দৰে
যাৰ দুচকু থাকিও দেখিবলৈ সামর্থ নাই
অন্তৰ থাকিও বুজিবলৈ শক্তি নাই।
তুমি আহিবানে আকৌ উভতি
দিবানে মোক এবাৰ সঁহাৰি
আৰু যিদিনা তুমি উভতি আহিবা
মোক আগতীয়াকৈ জনাবা
মই লুইতৰ বুকু ভেদি
তোমাক ৰিঙিয়াই মাতিম।...

উৰণীয়া মনটো

কাকলি তালুকদাৰ

মোৰ উকা পদুলিত
তুমি ৰুইছিলা এজোপা বকুল
তেতিয়া তুমি নিতৌ আহা
মোৰ হৃদয়ৰ বতৰা লৈ যোৱা

মনটো যে উৰণীয়া জানা
বান্ধি ৰাখিব নোৱাৰি

বকুলজোপা এতিয়া ডাঙৰ হ'ল
তুমি নাই যদিও
মোৰ উৰণীয়া মনটোৱে
পক্ষী হৈ নিতৌ জিৰণি লয়
তুমি ৰোৱা বকুল জোপাত।

শান্তিৰ পৃথিৱী

জুমা বেগম

মোক লাগে এখন শান্তিৰ পৃথিৱী

য'ত বৈ থাকে অনবৰত প্ৰেমৰ নৈ
নাই তাত হিংসা, মাৰণাস্ত্ৰ আৰু দুৰ্নীতি
নাথাকে সেই ঠাইত
কোনো অপৰাধী যিয়ে কৰে অত্যাচাৰ
প্ৰকৃতি বিনষ্টকাৰীয়ে নাপায়
কেতিয়াও বিচাৰি সেই ঠাই
নাহে কেতিয়াও দুখ বেদনাৰ ছাঁ
দূৰলৈকে শুনা নেযায়
কন্দা কটাৰ মাত
শুনিবলৈ পোৱা যায় অকল ৰং-ধেমালিৰ মাত
অসত্যতা নহয় মাথো সত্যতাই পায় স্থান
য'ত প্ৰতিদিনে নহয় মৃত্যু বিশ্বাসৰ

মোক লাগে এনেকুৱা এখন সুন্দৰ পৃথিৱী।

কবি পৰিচয়

নীলমণি ফুকন (জ. ১৯৩৩) ঃ

পঞ্চাশৰ দশকৰ আৰম্ভণিৰ পৰা আধুনিক অসমীয়া কবিতাৰ জগতত প্ৰতীকৰ ব্যৱহাৰেৰে এক নব্য কাব্য আন্দোলনৰ প্ৰতিষ্ঠাত অৰিহণা আগবঢ়োৱা বিশিষ্ট কবি নীলমণি ফুকনে প্ৰধানকৈ ফৰাচী প্ৰতীকবাদী আন্দোলনৰ দ্বাৰা অনুপ্ৰাণিত হৈ আধুনিক অসমীয়া কবিতাত ইয়াৰ সাৰ্থক প্ৰয়োগ কৰিছে। ১৯৮১ চনত 'কবিতা' নামৰ কবিতা সংকলনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা ফুকনে ২০০২ চনত তেওঁৰ অমৰ সৃষ্টিসমূহৰ বাবে সাহিত্য অকাডেমীৰ 'সৰ্বোচ্চ সাহিত্যিক সন্মান' লাভ কৰে। কৰ্মসূত্ৰে আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত অধ্যাপনা কৰা ফুকনে১৯৯২ চনত অৱসৰ লাভ কৰে।

কবিয়েই নহয়, কলা সমালোচক হিচাপেও তেওঁৰ এক বিশেষ স্থান আছে।

ৰবীন্দ্ৰ সৰকাৰ (জ. ১৯৪১) ঃ

ষাঠিৰ দশকৰ শেষৰফালে কবিতা লিখিবলৈ লোৱা ৰবীন্দ্ৰ সৰকাৰে 'বৃত্ত ভঙাৰ গান'ৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ জগতত এখন নতুন দুৱাৰ মুকলি কৰিবলৈ সক্ষম হৈছে। পৰিপক্কতাৰ ফালৰ পৰা সৰকাৰ সম্বন্ধে মন্তব্য কৰিবলগীয়া নাই যদিও তেখেতৰ 'ধূলিয়ৰি ভৰিৰ সাঁচে' (২০১৩) অকাডেমী বঁটা লাভ কৰি কবিৰ দায়বদ্ধতা সমাজ আৰু দেশৰ প্ৰতি বঢ়ালে বুলি কবিয়ে নিজেই কৈছে।

সমীৰ তাঁতী (জ. ১৯৫৫) ঃ

অসম পৰ্যটন বিভাগৰ উপ-সঞ্চালক পদত কৰ্মৰত বিশিষ্ট কবি সমীৰ তাঁতী 'যুদ্ধভূমিৰ কবি' হিচাপে পৰিচিত। বিভিন্ন বিষয়ৰ প্ৰবন্ধ লিখক হিচাবে জনাজাত তাঁতীয়ে অনুবাদ সাহিত্যৰ জগততো যথেষ্ট কৃতিত্বৰ পৰিচয় দিছে। শেহতীয়াভাৱে 'অসম উপত্যকা সাহিত্য বঁটা'ৰে সন্মানিত তাঁতী কুৰিখনৰো অধিক গ্ৰন্থৰ প্ৰণেতা।

আনিছ উজ্ জামান (জ. ১৯৪৭) ঃ

অজ্ঞাতে, গধূলি , সেউজীয়া জোন, এই বাটেদিয়েই আদি কবিতা সংকলনেৰে আধুনিক অসমীয়া কবিতাৰ জগতত এখন স্থায়ী আসন দখল কৰিবলৈ সক্ষম হোৱা আনিছ উজ্ জামান কেৱল কবিয়েই নহয়, গীতিকাৰো। অসম লোক সেৱা আয়োগৰ প্ৰাক্তন সদস্য জামানে সত্তৰৰ দশকৰ পৰা কবিতা লিখিবলৈ লয়। তেওঁৰ কবিতা বঙালী ভাষালৈও অনূদিত হৈছে।

নীলিম কুমাৰ (জ. ১৯৬৩) ঃ

'আচিনাৰ অসুখ' (১৯৯৪) ৰ পৰা 'আৰু আত্মকথা' (২০১৪) লৈকে ১৭খন কাব্যগ্ৰন্থৰ প্ৰণেতা নীলিম কুমাৰে গদ্য ৰচনাৰ ক্ষেত্ৰতো নিপুণতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। কুৰি শতিকাৰ সত্তৰৰ দশকৰ পৰা বৰ্তমানলৈকে নতুন চিন্তা চৰ্চাৰে আধুনিক অসমীয়া কবিতাৰ জগতত এখন স্থায়ী আসন অধিকাৰ কৰিবলৈ সক্ষম হোৱা কুমাৰ কৰ্মসূত্ৰে এজন আয়ুৰ্বেদিক চিকিৎসক আৰু বৰ্তমান খাৰুপেটীয়া ৰাজহুৱা স্বাস্থ্যকেন্দ্ৰত কৰ্মৰত।

শংকৰ শইকীয়া (জ. ১৯৬৭) ঃ

গভীৰ সামাজিক চেতনাবোধেৰে উদ্বুদ্ধ শংকৰ শইকীয়া সত্তৰৰ দশকৰ পৰাই তেওঁৰ বলিষ্ঠ লেখনি কবিতা, গল্প, নিবন্ধ আদিৰে অসমৰ জন মানসত পৰিচিত। কেইবাখনো আলোচনী, বাতৰি কাকতৰ সম্পাদনা কৰা শইকীয়া দেৱৰ 'মোক ফাঁচী দিয়ক' (কবিতাপুথি), 'তুমি মোক হত্যা কৰিলানে' (কবিতা পুথি), 'আশীৰ্বাদ, মানুহ আৰু ....'(গল্প) আৰু 'নাচিৰুদ্দিন আঠান্দিৰ সাধু' (সাধু) আদি উল্লেখযোগ্য গ্ৰন্থ। শ্ৰী শইকীয়া বৰ্তমানে দদৰাস্থিত SBMS হাইস্কুলৰ অধীক্ষক হিচাপে কৰ্মৰত।

ড° অৰ্চনা পূজাৰী (জ. ১৯৬১) ঃ

'উপলব্ধিৰ অভিজ্ঞান' (১৯৯১)এৰে কাব্য জীৱন আৰম্ভ কৰা বিশিষ্ট কবি, গল্পকাৰ, ঔপন্যাসিক, শিশু সাহিত্যিক আৰু সমালোচক ড° অৰ্চনা পূজাৰী বৰ্তমান গুৱাহাটীৰ আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা। ছয়খন কবিতা গ্ৰন্থৰ উপৰি অসমীয়া সাহিত্যৰ বিভিন্ন ক্ষেত্ৰলৈ পূজাৰীৰ বৰঙণি প্ৰশংসাৰ যোগ্য।

মুনিন্দ্ৰ কুমাৰ মহন্ত (জ. ১৯৬৫) ঃ

'অনুভৱৰ ক'লাজ' (১৯৯৮) আৰু 'শিলত বাছো ফুল' (২০০৩) শীৰ্ষক কবিতা পুথি দুখনৰ প্ৰণেতা মুনীন্দ্ৰ কুমাৰ মহন্ত অসম চৰকাৰৰ বিত্ত বিভাগৰ গাণণকি বিষয়া হিচাপে বৰ্তমান যোৰহাটত কৰ্মৰত।

অনুপমা বসুমতাৰী (জ. ১৯৬১) ঃ

'ৰূপালী ৰাতিৰ ঘাট' (১৯৯৪)ৰ পৰা 'ভাৰতৰ পৰা বৃটেইনলৈ এক আন্তৰিক যাত্ৰা' (২০১৩) লৈকে তেৰখন গ্ৰন্থৰ ৰচয়িতা, বিশিষ্ট কবি, অনুবাদক অনুপমা বসুমতাৰী ভাৰতীয় জীৱন বীমা নিগমৰ গুৱাহাটী শাখাৰ সহকাৰী সংমণ্ডল পৰিচালক। তেওঁ ইতিমধ্যে ১৯৯৭-৯৮ চনত 'ৰূপালী ৰাতিৰ ঘাট'ৰ বাবে ভাৰতীয়

ভাষা পৰিষদৰ বঁটা আৰু ২০১০ চনত গিৰিবালা চৌধুৰী স্মাৰক ন্যাসৰ বঁটা লাভ কৰিছে। তেওঁৰ কবিতা বিভিন্ন ভাষালৈ অনূদিত হৈছে।

সমীন্দ্ৰ হুজুৰি (জ. ১৯৫৮) ঃ

আধুনিক অসমীয়া কবিতাৰ জগতত এটি পৰিচিত নাম সমীন্দ্ৰ হুজুৰি। 'পৃথিৱীৰ প্ৰথম প্ৰেমিক' (২০০৪) নামৰ কাব্য সংকলনৰ উপৰি সমাজ সাহিত্য সংস্কৃতি সম্পৰ্কীয় ভালেমান প্ৰবন্ধৰ ৰচক হুজুৰিয়ে কেইবাখনো গ্ৰন্থ সম্পাদনাও কৰিছে। তদুপৰি নতুন সাহিত্য পৰিষদৰ মুখপত্ৰ 'নতুন সাহিত্য'ৰ তেওঁ সম্পাদক।

এম কামালুদ্দিন আহমেদ (জ. ১৯৬৬) ঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক, কবি, সমালোচক ড° কামালুদ্দিন আহমেদে অসমীয়া আধুনিক কবিতাৰ জগতখনত এক স্থায়ী আসন দখল কৰিবলৈ সক্ষম হৈছে। 'দুচকুত গছৰ ভৰ বাৰিষা' (১৯৯৬); 'ধানৰ মাজৰ চৰাইটো' (২০০১) আৰু 'ৰৱষুণ ঃ ৰোমান্টিক আৰু এণ্টি ৰোমান্টিক' (২০০৮), 'শুক্লেশ্বৰত ফুল কিনোতে' (২০১৪)— এই চাৰিখন আহমেদৰ কাপৰ পৰা নিগৰি ওলোৱা কাব্যপুথি। উল্লেখযোগ্য যে আহমেদৰ কবিতা ইংৰাজীৰ উপৰি বিভিন্ন ভাষালৈ অনূদিত হৈছে।

মণিমুগ্ধ মহন্ত (জ. ১৯৫১) ঃ

সত্তৰৰ দশকতে কবিতা চৰ্চা আৰম্ভ কৰিও ২০১৪ চনত 'জোনাকীৰ টিপচাকি' কাব্য সংকলনেৰে কাব্য জগতত প্ৰৱেশ কৰা মণিমুগ্ধ মহন্ত মূলতঃ এগৰাকী সমাজ সেৱক। মহন্ত বৰ্তমান গুৱাহাটীৰ বাসিন্দা।

ড° নীলিমা গোস্বামী শৰ্মা (জ. ১৯৬৩) ঃ

ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° নীলিমা গোস্বামী শৰ্মা এগৰাকী প্ৰতিষ্ঠিত কবি। আশীৰ দশকৰপৰা নিৰলসভাৱে কবিতা-চৰ্চা কৰা গোস্বামীৰ 'কাণী নৈত বান আহিছিল'(২০০২), আৰু 'কান্দোন ভঙাল কান্দোন' (২০১২) দুখন লেখত ল'ৰলগীয়া কবিতা পুথি। তেওঁৰ প্ৰথম কাব্য সংকলন 'কাণী নৈত বান আহিছিল' সম্পৰ্কত নৱকান্ত বৰুৱাৰ মন্তব্য উল্লেখনীয়—"কবিতা পুথিখন ভিতৰে বাহিৰে সকলোতে মূল্যবান।" বিভিন্ন প্ৰবন্ধ ৰচনাৰেও অসমীয়া ভাষা সাহিত্য জগতত তেওঁ বিশেষভাৱে পৰিচিত।

ধীৰাজ বিশ্বাসী (জ. ১৯৭৫) ঃ

'যাযাবৰী আত্মা' (১৯৯৮) আৰু 'বিৱেৰ অব গড' (২০০৭) শীষক দুখন কবিতা সংকলনেৰে আধুনিক অসমীয়া কবিতাৰ জগতত খোজ পেলোৱা ধীৰাজ বিশ্বাসী এগৰাকী সমাজ সচেতন কবি। বৰ্তমান তেওঁ এডিপি প্ৰাইভেট লিমিটেডত কৰ্মৰত।

ৰত্নেশ্বৰ মিলি (জ. ১৯৭৭) ঃ

মিচিং সমাজ সংস্কৃতি ভাষা বিষয়ক চিন্তাশীল প্ৰবন্ধ ৰচনা কৰাৰ উপৰিও বিভিন্ন গৱেষণামূলক প্ৰবন্ধ ৰচনা কৰা ৰত্নেশ্বৰ মিলি এগৰাকী উদীয়মান কবি আৰু ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক।

দীপক গোস্বামী (জ. ১৯৫৯) ঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অনুযায়ী তিনিখন স্নাতক মহলাৰ গ্ৰন্থ আৰু এখন মাধ্যমিক শ্ৰেণীৰ গ্ৰন্থৰ প্ৰণেতা দীপক গোস্বামী ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী (সহযোগী) অধ্যাপক। তেওঁ কবি হিচাপেও পৰিচিত।

ৰঞ্জিতা দাস লহকৰ (জ. ১৯৫৭) ঃ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ নতুন পাঠ্যক্ৰম অনুযায়ী স্নাতক মহলাৰ প্ৰথম আৰু দ্বিতীয় ষান্মাসিকৰ বাবে অনুমোদিত 'অসমীয়া' বিষয়ৰ গ্ৰন্থখন সম্পাদনা কৰাৰ উপৰি ব্ৰহ্মবিদ্যা সম্পৰ্কীয় প্ৰবন্ধ ৰচয়িতা তথা কবিতাৰ চৰ্চা কৰা ৰঞ্জিতা দাস লহকৰ ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান।

মিনতি মেধি (জ. ১৯৫৫) ঃ

কবিতাক প্ৰাণভৰি ভালপোৱা এসময়ৰ সু-গায়িকা, গল্পকাৰ মিনতি মেধি ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী (মুৰব্বী) অধাপিকা।

ধীৰাজ পাটৰ ঃ (জ. ১৯৮৩) ঃ

'কিমান মৰম কৰিলে তুমি মোক ভাল পাবা' (২০০৬) কবিতা গ্ৰন্থৰ কবি ধীৰাজ পাটৰ ললিত চন্দ্ৰভৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অংশকালীন অধ্যাপক। যুটীয়াভাৱে সম্পাদিত 'অসমৰ বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতি' (২০০৮) আৰু মৌলিক গ্ৰন্থ 'তিৱা লোক সংস্কৃতিৰ আভাস' (২০১৩) পাটৰৰ দুখন গ্ৰন্থ।

নিভাশ্ৰী ডেকা (জ. ১৯৮৪) ঃ

গীতিকাৰ, সু�ৰকাৰ, চিন্তাশীল প্ৰবন্ধকাৰ আৰু সু-গায়িকা ললিত চন্দ্ৰ ভৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অংশকালীন অধ্যাপিকা নিভাশ্ৰী ডেকাৰ কবিতাও প্ৰিয় বিষয়।

ড° ইন্দ্রানী চৌধুৰী (জ. ১৯৭২) ঃ

চিন্তামূলক প্ৰবন্ধৰ ৰচয়িতা, কবি ড° ইন্দ্রানী চৌধুৰী ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা।

শিৱানী দে (জ. ১৯৬৮) ঃ

গৱেষক, সু-গায়িকা আৰু সম্ভাৱনা পূৰ্ণ কবি শিৱানী দে ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ বাংলা বিভাগৰ বিভাগীয় প্ৰধান।

ডালিমী পাঠক (জ. ১৯৯৩) ঃ

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী। এগৰাকী সম্ভাৱনা পূৰ্ণ কবি।

ৰীমা দত্ত (জ. ১৯৯৫) ঃ

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বিতীয় ষান্মাসিকৰ ছাত্ৰী। এগৰাকী সম্ভাৱনা পূৰ্ণ কবি।

দিগন্ত কলিতা (জ. ১৯৯৪) ঃ

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰ। এগৰাকী সম্ভাৱনা পূৰ্ণ কবি।

কাকলি তালুকদাৰ (জ. ১৯৯৩) ঃ

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী। এগৰাকী সম্ভাৱনাপূৰ্ণ কবি।

জুমা বেগম (জ. ১৯৯২) ঃ

ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী। এগৰাকী সম্ভাৱনাপূৰ্ণ কবি।

সৌরৰণি

প্ৰচ্ছদ : সঞ্জীব বৰা